...নিটোৰ বাণী

...া বিজ্ঞানৰ আৰম্ভণি
...দৰ্শন হিচাপে আৰু
হয় কলা হিচাপে।
— উইল ডুৰাণ্ড


# অসম আদিত্য

RNI REGN. ...
epap...
Portal :
e-mail :


ডায়েৰী...
আদাৰ...
কাৰণ ইয়...
থাকে, যি...
নিয়...


...ছৰ ■ সংখ্যা ২৪৭ ■ ২৫ ভাদ, ১৯৪৭ শক ■ বৃহস্পতিবাৰ, ১১ ছেপ্টেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Thursday, September 11, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰক...


# ২৫ অক্টোবৰত ডিব্ৰুগড়ত হ'ব অসম সাহিত্য সভাৰ সাংবাদিক সন্মিলন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১০ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) আৰু ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভা, কানৈ মহাবিদ্যালয় শাখা সাহিত্য সভাৰ যৌথ উদ্যোগত, অসম সাহিত্য সভাৰ পৃষ্ঠপোষকতাত ডিব্ৰুগড়ত অনুষ্ঠিত হ'ব 'সাংবাদিক সন্মিলন'। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) লালচান্দ কানৈ প্ৰেক্ষাগৃহত অহা ২৫ অক্টোবৰত অনুষ্ঠিত হ'ব এই সন্মিলন। এই উপলক্ষে আজি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ সভা কক্ষত অসম সাহিত্য সভাই গঠন কৰি দিয়া শৈক্ষিক সমিতিৰ আহ্বায়ক তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত এখন শক্তিশালী আদৰণী সমিতি গঠন কৰা হয়। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁয়ে আঁত ধৰা সভাত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট লেখক ড০ শশীকান্ত শইকীয়াক সভাপতি, বিশিষ্ট সমাজসেৱক জ্যোতিপ্ৰসাদ কানৈক কাৰ্যকৰী সভাপতি আৰু জ্যেষ্ঠ সাংবাদিক মনজিৎ বৰাক সাধাৰণ সম্পাদক তথা ৰাতুল বুঢ়াগোহাঁই আৰু যাদৱ গগৈক যুটীয়া সম্পাদক আৰু জ্যোতি বৰগোহাঁইকে ধৰি অসম সাহিত্য সভাই কৰি দিয়া শৈক্ষিক সমিতিৰ সদস্যসকলক উপদেষ্টা হিচাপে লৈ কেইবাখনো উপ-সমিতিৰে ৫১ জনীয়া এখন আদৰণী সমিতি গঠন কৰা হয়। সভাত কানৈ মহাবিদ্যালয়ৰ অধ্যাপক ড০ মৃদুল শৰ্মা, অধ্যাপক ড০ অনন্ত কুমাৰ দত্ত, অধ্যাপক ড০ জ্যোতিপ্ৰসাদ ফুকন, অধ্যাপিকা ড০ মৰমী তালুকদাৰ, অধ্যাপক ড০ জ্যোতি শইকীয়া, অধ্যাপিকা ড০ নিৰ্মালী পেগু, অধ্যাপিকা বিনী শইকীয়া, অধ্যাপিকা মৌচুমী হাজৰিকা, লেখিকা সন্থা অসমৰ প্ৰধান সম্পাদক উদয়ন্তী হাজৰিকা, মিনাক্ষী দাস বৰুৱা, ভুৱনজ্যোতি বৰুৱা, অৰ্পণা ফুকন দাস উপস্থিত থাকি সাংবাদিক সন্মিলনখন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত বিভিন্ন দিহা-পৰামৰ্শ প্ৰদান কৰে। উল্লেখ্য যে এদিনীয়াকৈ অনুষ্ঠিত হ'ব লগা সাংবাদিক সন্মিলনখনত অসম সাহিত্য সভাৰ সভাপতি, উপ-সভাপতি, প্ৰধান সম্পাদককে প্ৰমুখ্য কৰি অসমৰ সকলো জিলাৰ সাংবাদিকৰ লগতে ছপা আৰু কেইবাটাও বৈদ্যুতিন মাধ্যমৰ সম্পাদক উপস্থিত থকাৰ লগতে পোন প্ৰথমবাৰৰ বাবে গৱেষণা-পত্ৰ পাঠ, বক্তৃতানুষ্ঠান, মুকলি সভা, সম্বৰ্ধনা আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। 'সাহিত্য, সাংবাদিকতা আৰু অসমীয়া মাতৃভাষাৰ ভৱিষ্যৎ' শীৰ্যক বিষয়ক মুখ্য বিষয় হিচাপে লৈ অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰা হ'ব আৰু এখন ঘোষণা-পত্ৰও প্ৰকাশ কৰাৰ চিন্তা-চৰ্চা কৰা বুলি এক বিবৃতিৰ জৰিয়তে জানিবলৈ দি সকলোৰে সহায়-সহযোগিতা, দিহা-পৰামৰ্শ কামনা কৰিছে।

## লেখিকা সংস্থাৰ ...